**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-11-2025 **Time :** 0900 Hrs.

***Assamese Morning Bulletin***

**Headline**

১। অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ আজি দ্বিতীয় দিনা কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনাৰ লগতে কেইবাখনো বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা

২। বিধানসভাত কালি দাখিল কৰা তিৱাৰী আয়োগৰ প্ৰতিবেদনত নেলীৰ প্ৰাণহানিৰ ঘটনাক সাম্প্ৰদায়িক হিচাপে অভিহিত কৰিবলৈ অস্বীকাৰ।

৩। ৰাজ্যত বহু বিবাহ নিষিদ্ধ কৰাৰ বাবে অসম বহু বিবাহ প্ৰতিৰোধ বিধেয়ক-২০২৫ উত্থাপন।

৪। গোৱাৰ পানাজীত অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ-ঔচচঔ-ত কালি প্ৰদৰ্শিত অসমীয়া চিনেমা ভাইমনদা আৰু পত্ৰলেখাৰ আজি পুনৰ প্ৰদৰ্শনৰ ব্যৱস্থা।

**আৰু**

৫। গুৱাহাটী টেষ্টত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ভাৰতীয় দল তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন। ৮ উইকেট হাতত থকা অৱস্থাত ভাৰতৰ সন্মুখত ৫২২ ৰানৰ বিশাল লক্ষ্য। ০০০০০০

অসম বিধানসভাৰ শীতকালীন অধিৱেশন আজি দ্বিতীয় দিনা কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনাৰ লগতে কেইবাখনো বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা আছে। আজি পুৱা চাৰে ৯ বজাত অধিবেশনখনৰ কাম-কাজ আৰম্ভ হোৱাৰ পাছতে অধ্যক্ষই বিধানসভাৰ কাৰ্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন ঘোষণা কৰিব। শিক্ষা আৰু ভৈয়াম জনজাতি উন্নয়ন মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মিচিং স্বায়ত্ব শাসিত পৰিষদ সংশোধনী বিধেয়ক-২০২৫, ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদসংশোধনী বিধেয়ক-২০২৫ৰ উপৰি শিক্ষা বিষয়ক কেইবাখনো বিধেয়ক উত্থাপন কৰিব।

বিধানসভাৰ কালি প্ৰথম দিনটোত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু আৰু ইয়াৰ তদন্ত প্ৰক্ৰিয়াক লৈ বিৰোধীয়ে অনা সভা স্থগিত প্ৰস্তাৱত শাসক পক্ষই সমৰ্থন জনায়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যু পৰিকল্পিত হত্যাকাণ্ড আছিল বুলি সদনৰ মজিয়াত প্ৰকাশ কৰে। সদনত প্ৰথমে কংগ্ৰেছ, এ আই ডি ইউ এফ, ৰাইজৰ দল আৰু চি পি এমে জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত আলোচনা কৰিবলৈ সভা স্থগিত প্ৰস্তাৱ আনে। অসম বিধানসভাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে শাসকীয় পক্ষই বিধানসভাত বিৰোধীয়ে অনা সভা স্থগিত প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনায়। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সঠিক

দিশে আগবঢ়া নাই বুলি অভিযোগ তুলি বিৰোধী ৰাজনৈতিক দলসমূহে জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবী উত্থাপন কৰে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই লগতে জুবিনৰ গাৰ্গৰ মৃত্যু সন্দৰ্ভত চি বি আইৰ তদন্ত দাবী কৰে।

বিৰোধী দলসমূহৰ বক্তব্যৰ পাছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সদনত জুবিন গাৰ্গক পৰিকল্পিতভাৱে হত্যা কৰা হৈছিল আৰু এই হত্যাকাণ্ডত এজন বিশেষ ব্যক্তি জড়িত হৈ আছিল আৰু তেওঁক কেইবাগৰাকীয়েও সহযোগ কৰিছিল বুলি আনুষ্ঠানিকভাৱে ঘোষণা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই ঘটনাৰ অভিযুক্তসকলক গ্ৰেপ্তাৰ আৰু তদন্ত প্ৰক্ৰিয়াৰ সন্দৰ্ভত বিৰোধীয়ে অনা কেইবাটাও অভিযোগ খণ্ডন কৰে।

**-বাইট-**

মুখ্যমন্ত্ৰীয়ে কয়, যে অহা ৮ ডিচেম্বৰত এছ আই টিয়ে অভিযোগনামা দাখিলৰ পাছতো জুবিন গাৰ্গৰ হত্যাৰ পৰিকল্পনাৰ সন্দৰ্ভত চৰকাৰে বিস্তৃতভাৱে অনুসন্ধান অব্যাহত ৰাখিব। ইয়াৰ পাছতে ফাষ্টট্ৰেক আদালত গঠনৰ বাবে উচ্চ ন্যায়ালয়ক অনুৰোধ জনাই গোচৰটো আগবঢ়াই নিবলৈ বিশেষ চৰকাৰী অধিবক্তা নিয়োগ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। এছ আই টিয়ে এই ঘটনাৰ সন্দৰ্ভত ২৯২জন ব্যক্তিৰ ভাষ্য লৈছে আৰু ২৯বিধ সামগ্ৰী জব্দ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

oooooooo

অসম বিধানসভাত কালি ১৯৮৩ চনৰ নিৰ্বাচনী হিংসাৰ তদন্তৰ বাবে গঠন কৰা ত্ৰিভুৱন প্ৰসাদ তিৱাৰী আয়োগ আৰু বেচৰকাৰীভাবে গঠন হোৱা মেহতা আয়োগৰ প্ৰতিবেদন দাখিল কৰা হয়। তিৱাৰী আয়োগৰ প্ৰতিবেদন অনুসৰি বৰ্তমানৰ মৰিগাওঁ জিলা তথা তেতিয়াৰ অবিভক্ত নগাওঁ জিলাৰ নেলীৰ বিভিন্ন অঞ্চলত দুহেজাৰৰো অধিক লোকৰ প্ৰাণহানি হোৱাৰ ঘটনা সাম্প্ৰদায়িক আখ্যা দিব নোৱাৰি বুলি প্ৰকাশ কৰা হৈছে। ১৯৮৩ চনৰ নিৰ্বাচনটো স্পৰ্শকাতৰ হিচাপে আয়োগে অভিহিত কৰিছে যদিও হিংসাত্মক ঘটনাসমূহৰ বাবে নিৰ্বাচনটোক জগৰীয়া কৰিব নোৱাৰি বুলি প্ৰতিবেদনত স্পষ্টভাবে উল্লেখ কৰা হৈছে। সুদীৰ্ঘ সময়জুৰি ৰাজ্যখনত হোৱা অবৈধ প্ৰব্ৰজন, জনগাঁথনিৰ পৰিবৰ্তন, বিদেশী বহিস্কাৰৰ দাবী অব্যাহত থকা দশকজোৰা আন্দোলন আদিকে ধৰি কেইবাটা কাৰণে এনেধৰণৰ হিংসাত্মক ঘটনা প্ৰভাৱ পেলাইছে বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে। শীৰ্ষ প্ৰশাসনিক বিষয়া, স্থানীয় নেতা, সমাজকৰ্মী, আৰক্ষী, সাংবাদিককে ধৰি আঢ়ৈশৰো অধিক লোকৰ সাক্ষ্য গ্ৰহণৰ লগতে ঘটনা সংঘটিত বিভিন্ন স্থান ভ্ৰমণ কৰি আয়োগে প্ৰস্তুত কৰা প্ৰতিবেদনত এই ঘটনাসমূহক সাম্প্ৰদায়িক বুলি কোৱাটো উচিত নহয় বুলি উল্লেখ কৰা হৈছে। আয়োগে প্ৰতিবেদনত ডিব্ৰুগড়, অবিভক্ত গোৱালপাৰা, কামৰূপ, দৰং, লখিমপুৰ, নগাওঁ আৰু  কাৰ্বি আংলং জিলাত সংঘটিত হিংসাত্মক ঘটনাসমূহৰ তথ্য আৰু ইয়াত প্ৰাণহানিৰ সংখ্যাও প্ৰতিবেদনত সন্নিবিষ্ট কৰিছে। এই অনুসৰি ১৯৮৩ চনৰ জানুৱাৰীৰ পৰা এপ্ৰিল পৰ্যন্ত সংঘটিত ৮হাজাৰ ১৯টা হিংসাত্মক ঘটনাত দলীয় সংঘৰ্ষত ২হেজাৰ ৭২জন আৰু আৰক্ষীৰ গুলীত ২৩৫জন লোক নিহত হৈছিল। উল্লেখযোগ্য যে, কালি বিধানসভাত দাখিল কৰা এই প্ৰতিবেদনখন ১৯৮৭চনৰ ৩১ মাৰ্চত তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই বিধানসভাত দাখিল কৰিছিল যদিও ৰাজহুৱা কৰা হোৱা নাছিল।

ইপিনে, কালি বিধানসভাত মুখ্যমন্ত্ৰীয়ে দাখিল কৰা মেহতা আয়োগৰ প্ৰতিবেদন অনুসৰি ১৯৮৩চনৰ ১৮ ফেব্ৰুৱাৰীত তেতিয়া নগাওঁ জিলাৰ নেলীত সংঘটিত গণহত্যা একাংশ পমুৱা মুছলমানে পূৰ্বে কৰা আক্ৰমণৰ প্ৰতিক্ৰিয়া স্বৰূপে সংঘটিত হৈছিল বুলি কোৱা হৈছে। উল্লেখযোগ্য যে, ১৯৮৩চনৰ নিৰ্বাচনৰ আগে পিছে

ৰাজ্যখনত সংঘটিত হিংসাত্মক ঘটনাৱলীৰ সন্দৰ্ভত অসম ৰাজ্যিক মুক্তি যুঁজাৰু সংগঠনে হিমাচল প্ৰদেশ উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ টি ইউ মেহতাৰ অধ্যক্ষতাত এই আয়োগ গঠন কৰিছিল।

০০০০০০০০

ৰাজ্যত বহু বিবাহ নিষিদ্ধ কৰাৰ বাবে কালি অসম বিধানসভাই শীতকালীন অধিবেশনৰ প্ৰথম দিনটোতে অসম বহু বিবাহ প্ৰতিৰোধ বিধেয়ক-২০২৫ উত্থাপন কৰে। ৰাজ্যৰ ষষ্ঠ অনুসূচী এলেকা আৰু অনুসূচিত জনজাতিৰ লোকসকলৰ বাহিৰে সমগ্ৰ ৰাজ্যৰ লোকৰ ক্ষেত্ৰত এই বিধেয়ক বলবৎ হ'ব। এই বিধেয়ক অনুসৰি কোনো লোকে তেওঁৰ স্বামী বা স্ত্ৰী জীৱিত থকা অৱস্থা আৰু আইনী প্ৰক্ৰিয়াৰে বিচ্ছেদ নহ'লে পুনৰ বিবাহপাশত আৱদ্ধ হ'ব নোৱাৰিব। এই নিৰ্দেশ অমান্য কৰিলে ৭বছৰৰ কাৰাদণ্ড আৰু জৰিমনা বিহা হ'ব। তদুপৰি, কোনো লোকে পূৰ্বৰ বিবাহ গোপনে ৰাখি পুনৰ বিবাহ পাশত আৱদ্ধ হ'লে ১০ বছৰৰ কাৰাদণ্ড আৰু জৰিমনা ভৰিব লাগিব। আইন উলংঘা কৰি বহু বিবাহত সহায় কৰা কাজি বা পুৰোহিতৰ বাবে ২বছৰৰ কাৰাদণ্ড আৰু ডেৰ লাখ টকা জৰিমনাৰ ব্যৱস্থাও বিধেয়কখনত ৰখা হৈছে। এই বিধেয়কৰ অধীনত কোনো ব্যক্তিক ন্যায়ালয়ে দোষী সাব্যস্ত কৰিলে তেনে ব্যক্তি ৰাজ্য চৰকাৰৰ কোনো পুঁজি আৰু নিযুক্তিৰ বাবে যোগ্য বিবেচিত নহ'ব। বিধেয়কখনত বহু বিবাহৰ ভুক্তভোগী মহিলাৰ ক্ষতিপুৰণৰ বাবে প্ৰাধিকৰণ গঠন কৰাৰ কথাও বিবেচনা কৰা হৈছে।

০০০০০০০০

গোৱাৰ পানাজীত যোৱা ২০ নৱেম্বৰৰ পৰা অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ-IFFI-ত কালি দুখন অসমীয়া চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হয়। কাহিনী চিত্ৰশাখাত নিৰ্বাচিত শংশাক সমীৰ পৰিচালিত ভাইমনদা আৰু অ-কাহিনী শাখাত নম্ৰতা দত্ত পৰিচালিত পত্ৰলেখা ছবিখন প্ৰদৰ্শন কৰা হয়। এই ছবি দুখন আজি মহোৎসৱত পুনৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। মহোৎসৱ সন্দৰ্ভত গোৱাৰ পৰা এয়া চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদৰ বিশেষ প্ৰতিবেদন –

বাইট

এই চলচ্চিত্ৰ মহোৎসৱত দেশ-বিদেশৰ অগণন চলচ্চিত্ৰ নিৰ্মাতা, শিল্পী, কলাকুশলী তথা চলচ্চিত্ৰ প্ৰেমীৰ সমাগম হৈছে।  মহোৎসৱত ৮০ খনতকৈও অধিক দেশৰ অতিথি আৰু চলচ্চিত্ৰ নিৰ্মাতাসকলে অংশগ্ৰহণ কৰিছে। আঠ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই মহোৎসৱ ২৮ নৱেম্বৰত সামৰণি পৰিব।

০০০০০০০০

দেশৰ নিৰ্বাচনী আয়োগৰ নিৰ্দেশ অনুযায়ী অসমত আৰম্ভ হোৱা ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ অংশ হিচাপে শিৱসাগৰ জিলাতো এই প্ৰক্ৰিয়া অব্যাহত আছে। জিলাখনত ২২ নৱেম্বৰত আৰম্ভ কৰা সংশোধনীৰ প্ৰক্ৰিয়া সফল কৰি তুলিবলৈ নিয়োগ কৰা ৭১৫ গৰাকী বি এল অ'য়ে শিৱসাগৰ, ডিমৌ আৰু নাজিৰা বিধানসভাৰ প্ৰায় ৬ লাখ ভোটাৰৰ ঘৰে ঘৰে গৈ তথ্যৰ সত্যাসত্য নিৰূপণৰ কামত তৎপৰ হৈছে। এই সন্দৰ্ভত শিৱসাগৰৰ নিৰ্বাচনী  বিষয়া আদিতি নেওগে এইদৰে কয়—

**বাইট (অদিতি নেওগ)**

০০০০০০০০

আজি সংবিধান দিৱস। এই উপলক্ষে পঞ্চায়তীৰাজ মন্ত্ৰালয়ে আজি সমগ্ৰ দেশতে তিনি-তৰপীয়া পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু স্থানীয় গ্ৰামীণ পৰিচালনা সমিতিসমূহৰ মাজত বিশেষ নিৰীক্ষণ চলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই বছৰৰ সংবিধান দিৱস উপলক্ষে সম্পাদক বিবেক ভৰদ্বাজ আৰু জ্যেষ্ঠ বিষয়া তথা কৰ্মচাৰীসকলৰ উপস্থিতিত সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰা হ'ব। ইয়াৰ লগতে সকলো কৰ্মচাৰীৰ বাবে **ন' ইওৰ কনষ্টিটিউচন** বিষয়ত কুইজ আৰু ৰচনা প্ৰতিযোগিতাৰো আয়োজন কৰা হ'ব। দেশৰ সকলো গাঁও পঞ্চায়তৰ সদস্যসকলে স্থানীয় ভাষাত প্ৰস্তাৱনা পাঠ কৰাৰ লগতে সংবিধানৰ সৈতে জড়িত বিভিন্ন আলোচনা আৰু কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

oooooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত চলিত টেষ্ট শৃংখলাৰ গুৱাহাটীত অনুষ্ঠিত খেলখনত ভাৰতীয় দলটো তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। এতিয়াও ৫২২ ৰানত পিছপৰি থকা ভাৰতে আজি পঞ্চম তথা অন্তিম দিনটোত জয়লাভ কৰাৰ আশা তেনেই ক্ষিণ যদিও দলটোৰ সন্মুখত খেলখন ড্ৰ' কৰাৰ সুযোগ আছে। অৱশ্যে দ্বিতীয় ইনিংছতো সফলতাৰ মুখ নেদেখা দলটোৰ দুয়োগৰাকী অপেনাৰ যশস্বী জয়ছোৱাল আৰু কে এল ৰাহুল ইতিমধ্যে পেভিলিয়নমুখি হোৱাত দলটো শলঠেকত পৰাৰ সম্ভাৱনাই অধিক বুলি ক্ৰীড়া বিশেষজ্ঞসকলে অভিমত প্ৰকাশ কৰিছে।

ইয়াৰ পূৰ্বে কালি খেলখনৰ চতুৰ্থ দিনটোত দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছত ৫ উইকেটৰ বিনিময়ত ২৬০ ৰান সংগ্ৰহ কৰি ইনিংছ ঘোষণাৰে ভাৰতক ৫৪৯ ৰানৰ বিশাল লক্ষ্য বান্ধি দিয়ে। প্ৰথম ইনিংছত দক্ষিণ আফ্ৰিকাই ৪৮৯ ৰান কৰাৰ বিপৰীতে ভাৰতে ২০১ ৰানতে সীমাবদ্ধ থাকিবলগীয়া হৈছে।

শৃংখলাত ইডেন গাৰ্ডেনছত লাভ কৰা জয়েৰে আলহী দলটোৱে ইতিমধ্যে ১-০ৰ অগ্ৰগতি লাভ কৰিছে।

oooooooo

জুবিন গাৰ্গক পৰিকল্পিতভাৱে হত্যা কৰা বুলি অসম বিধানসভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা, বিধানসভাৰ শীতকালীন অধিবেশনৰ প্ৰথম দিনটোতেই কেইবাখনো বিধেয়ক উত্থাপন, অসমত বিদ্যালয়ৰ শৈক্ষিক বৰ্ষ জানুৱাৰীৰ পৰা ডিচেম্বৰ মাহলৈ কৰাৰ সম্ভাৱনা, তিনিচুকীয়া মাকুম পথত সংঘটিত পথ দুৰ্ঘটনাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকত সমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

ইয়াৰে জুবিন গাৰ্গ সম্পৰ্কীয় বাতৰিটো অসমীয়া **প্ৰতিদিন কাকতে প্ৰাণৰ শিল্পীৰ ন্যায়ৰ দাবীত বিৰোধীৰ সভা স্থগিত প্ৰস্তাৱ, উত্তল সদনত মুখ্যমন্ত্ৰীৰ ঘোষণা, পৰিকল্পিতভাৱে হত্যা কৰা হল জুবিনক** শিৰোনামেৰে প্ৰকাশ কৰিছে। বাতৰিটোক **নিয়মীয়া বাৰ্তা** কাকতে **প্লেন মাৰ্ডাৰ, কভিডৰ পিছৰে পৰা প্ৰাণৰ শিল্পীৰ বিৰুদ্ধে চলিছিল ষড়যন্ত্ৰ, ছিংগাপুৰত জুবিন গাৰ্গক হত্যা কৰিছিল, বিধানসভাত মুখ্যমন্ত্ৰীৰ মহাবিস্ফোৰণ** শিৰোনাম দিছে। বাতৰিটোক **দি আছাম ট্ৰিবিউন** কাকতে **ইটছ প্লেইন, চিম্পল মাৰ্ডাৰ, চি এম অন জুবিন গাৰ্গ ডেথ** শিৰোনামেৰে প্ৰকাশ কৰিছে।

অসম বিধানসভাৰ শীতকালীন অধিবেশনৰ প্ৰথম দিনটোত বহুকেইখন বিধেয়ক, অধ্যাদেশ, জাননী আদিৰ লগতে পৰিপূৰক দাবী মঞ্জুৰী উত্থাপন কৰা হয়। বাতৰিটোক **অসমীয়া খবৰ** কাকতে **বহুবিবাহ**

**প্ৰতিৰোধ, সত্ৰ-সুৰক্ষা-উন্নয়ন, মৰাণ মটকৰ স্বায়ত্ব শাসিত পৰিষদৰ সংশোধনী বিল উত্থাপন, দ্য চেণ্টিনেল** কাকতে **পলিগেমী বিল, ইমপ্ৰিজনমেণ্ট এণ্ড ন পাব্লিক এমপ্লইমেণ্ট ফৰ অফেনডাৰছ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এপ্ৰিলৰ পৰা মাৰ্চৰ পৰিৱৰ্তে অসমত জানুৱাৰীৰ পৰা ডিচেম্বৰ মাহলৈ বিদ্যালয়ৰ শৈক্ষিক বৰ্ষ সলনি কৰাৰ সম্ভাৱনা প্ৰকাশ কৰি এই সন্দৰ্ভত শিক্ষা বিভাগ ততপৰ হৈ থকা বুলি এটা বাতৰি **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিৰ্মাণ সম্পূৰ্ণ হোৱা অযোধ্যাৰ ৰান মন্দিৰৰ চূড়াত কালি ধৰ্ম ধবজা উত্তোলন কৰাৰ এটা বাতৰি **দৈনিক অগ্ৰদূত** আৰু **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

তিনিচুকীয়া-মাকুম ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এটা পথ দূৰ্ঘটনাত ৪ গৰাকী লোকৰ মৃত্যু আৰু কেইবাজনো লোক আহত হোৱাৰ এটা বাতৰি আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০০০

আজি ৰাষ্ট্ৰীয় দুগ্ধ দিৱস। ভাৰতবৰ্ষত শ্বেত বিপ্লৱৰ সূচনা কৰা  দুগ্ধ মানৱ উপাধিৰে বিভুষিত ড° ভাৰ্গিছ কুৰিয়ানৰ জয়ন্তীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে এই দিৱস উদযাপন কৰা হয়। **দুগ্ধ আৰু দুগ্ধজাত খাদ্যৰ শক্তিক উদযাপন কৰো আহক** শীৰ্ষক বিষয়বস্তুৰে  এইবাৰ ৰাষ্ট্ৰীয় দুগ্ধ দিৱস উদযাপন কৰা হৈছে। এই উপলক্ষে গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

নতুন দিল্লীতো এই দিৱস উপলক্ষে আয়োজিত এটা অনুষ্ঠানত মীন, পশুপালন আৰু দুগ্ধ উৎপাদন বিভাগৰ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে ৰাষ্ট্ৰীয় গোপাল ৰত্ন বঁটা ২০২৫ প্ৰদান কৰিব। একেটা কাৰ্যসূচীতে বিভাগটোক অধিক উজ্জীৱিত কৰাৰ লক্ষ্যৰে কেইবাটাও বিশেষ প্ৰকল্পৰো উদ্বোধন কৰা হ'ব।

০০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পৰৱৰ্তী সময়ত বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম আৰু নাগালেণ্ডৰ ঠাই বিশেষে পাতলীয়া বৰষুণ আৰু মেঘালয়, মণিপুৰ,মিজোৰাম আৰু ত্ৰিপুৰাত বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০০

**সমাপ্ত**